# উডবলৰ পদক জয়ী খেলুৱৈক সম্বৰ্ধনা

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৮ এপ্ৰিল ঃ নাগপুৰত অনুষ্ঠিত ১৯ সংখ্যক ৰাষ্ট্ৰীয় উডবল প্ৰতিযোগিতাত পদকজয়ী অসমৰ উডবল খেলুৱৈক আজি সম্বৰ্ধনা জনোৱা হয়। যোৱা ২২-২৬ মাৰ্চত অনুষ্ঠিত প্ৰতিযোগিতাখনত সফলতা অৰ্জন কৰা খেলুৱৈসকলক গুৱাহাটীৰ দিশপুৰ মহাবিদ্যালয়ত নিৰ্মলপ্ৰভা বৰদলৈ সভাকক্ষত কলেজ কৰ্তৃপক্ষ আৰু উডবল সন্থা, অসমে সম্বৰ্ধনা জ্ঞাপন কৰে। প্ৰতিযোগিতাখনত অসমে পুৰুষৰ ষ্ট্ৰোক গ্ৰুপ শাখাত দ্বিতীয় ৰানাৰ-আপ ট্ৰফী আৰু ব্ৰঞ্জৰ পদক, মহিলাৰ ষ্ট্ৰোক শাখাৰ ডাবলছত ৰূপ, ষ্ট্ৰোক শাখাৰ মিক্সড ডাবলছত ব্ৰঞ্জ, মহিলা আৰু পুৰুষৰ ছিংগলছ ফেয়াৰৱে শাখাত ক্ৰমে ৰূপ



আৰু ব্ৰঞ্জ জয়েৰে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনে। পদকজয়ী খেলুৱৈসকল হ'ল ঃ প্ৰাণ প্ৰতিম চলিহা, অবিনাশ দাস, জিজ্ঞাস নাথ, শংকুমণি বেজবৰুৱা, ৰিচাৰ্ড কলিতা, জিতুপণ দাস, শেৱালী ব্ৰহ্ম, জ্যোতিমা বৰুৱা, নিলেফো ৰহমান, জমণি দাস। সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে উডবল সন্থা, অসমৰ সভাপতি তথা গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত ড° পাৰ্থ সাৰথি মহন্ত, কাৰ্যকৰী সভাপতি তথা দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা, সাধাৰণ সম্পাদক প্ৰাণ প্ৰতিম চলিহা, সহকাৰী সাধাৰণ সম্পাদক ড° শশী মোহন দাস।